# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১২১/২০২০

## অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া একাডেমীৰ শৈক্ষিক কাম-কাজ শীঘ্ৰে আৰম্ভ কৰিবলৈ ক্ৰীড়া বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৬ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আয়োজিত এক বৈঠকত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়াক্ষেত্ৰৰ অপাৰ সম্ভাৱনীয়তা আৰু এই দিশত ৰাজ্যখনত আৰম্ভ হোৱা ইতিবাচক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানীলৈ ৰূপান্তৰ কৰাৰ বাবে সকলোৱে সহযোগিতাৰে কাম কৰিব লাগিব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্য চৰকাৰ আৰু ক্ৰীড়া সংস্থাসমূহকে ধৰি সকলো অংশীদাৰৰে সমন্বিত প্ৰয়াসৰ ফলত ৰাজ্যখনৰ খেলুৱৈসকলে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ব্যাপক সফলতা লাভ কৰিবলৈ সক্ষম হৈছে আৰু ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ সম্ভাৱনাময় ক্ৰীড়া প্ৰতিভাৰ উত্তৰণৰ ক্ষেত্ৰত তেওঁলোকক সহায় আগবঢ়োৱাৰ বাবে গুৱাহাটীত নিৰ্মাণ কাৰ্য চলি থকা অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া একাডেমীৰ শৈক্ষিক কাম-কাজ শীঘ্ৰে আৰম্ভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ক্ৰীড়া বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীক নিৰ্দেশ দিয়ে।

চাবুৱাত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰ বাবেও ক্ৰীড়া বিভাগক প্ৰয়োজনীয় নিৰ্দেশাৱলী প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ বাবে নিয়োগ প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগটোৰ প্ৰধান সচিবগৰাকীক নিৰ্দেশ দিয়ে। তেওঁ লগতে কোকৰাঝাৰত নিৰ্মাণৰত ক্ৰীড়া মহাবিদ্যালয়ৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়।

ক্ৰীড়া বিভাগৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সোণোৱালে অগ্ৰণী ক্ৰীড়া প্ৰতিভাসমূহলৈ ৰাজ্য চৰকাৰৰ এককালীন বিত্তীয় অনুদান আঁচনিৰ অধীনত বিত্তীয় উদগণি আগবঢ়োৱাৰ বাবে ৰাজ্যখনক প্ৰতিনিধিত্ব কৰা দাৰিদ্ৰ সীমাৰেখাৰ তলৰ খেলুৱৈসকলক চিনাক্ত কৰিবলৈও ক্ৰীড়া বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ কাম-কাজৰো বুজ লয় আৰু এই যোজনাৰ অধীনত ৫০০ খন খেলপথাৰ উন্নয়নৰ কাম যথাসময়ত সম্পূৰ্ণ কৰিবলৈ বিভাগটোৰ কৰ্মকৰ্তাসকলক নিৰ্দেশ দিয়ে। ক্ৰীড়াক এক বৃত্তি হিচাপে ল'ব পৰাকৈ ইয়াৰ জনপ্ৰিয়কৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ ক্ৰীড়াবিদসকললৈ চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনিৰ বিষয়েও ব্যাখ্যা কৰে।

আজিৰ পৰ্যালোচনা বৈঠকত ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, ক্ৰীড়া বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, ক্ৰীড়া বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলিৰ লগতে অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ/ প্ৰঃকুঃবঃ**
**১৬/০৩/২০২০**